# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-NOV-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**-------------------**

০০০০০

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আজি বিশ্বনাথ জিলাৰ গহপুৰ সমষ্টিৰ ৩৬ হাজাৰ ৮৩৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই উপলক্ষে ভোলাগুৰিৰ ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় চৌহদত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই তেওঁৰ ভাষণত কয়, যে ৰাজ্য চৰকাৰে বিগত ৪ বছৰত মহিলাসকলক বিভিন্ন দিশত আগবঢ়াই নি সবলীকৰণৰ বাবে নিৰন্তৰ কাম কৰিছে। বৰ্তমানৰ অসম চৰকাৰে গ্ৰহণ কৰা বহু আঁচনি দেশৰ আন আন ৰাজ্যসমূহেও অনুকৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। চত্তিশগড়, ঝাৰখণ্ড, পশ্চিমবংগ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, হাৰিয়ানা আৰু দিল্লী চৰকাৰে অৰুণোদয় আঁচনিৰ অনুৰূপ কাৰ্যসূচী নিজ নিজ ৰাজ্যত প্ৰৱৰ্তন কৰাৰ কথা উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ইয়ে মহিলা সবলীকৰণৰ দিশত অসম দেশৰ আদৰ্শ ৰাজ্যলৈ পৰিগণিত হোৱাতোকে প্ৰমাণ কৰে। আজিৰ অনুষ্ঠানত শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, বিধায়ক উৎপল বৰা, প্ৰমোদ বৰঠাকুৰ, দিগন্ত ঘাটোৱালকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত আজি সৌমিত্ৰ শইকীয়াৰ এজনীয়া ন্যায়িক আয়োগৰ ওচৰত বিধায়ক অখিল গগৈ আৰু আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিত শৰ্মাই শপতনামাৰ জৰিয়তে ভাষ্য প্ৰদান কৰে। আয়োগক তথ্য দাখিলৰ পাছত বিধায়ক অখিল গগৈয়ে আয়োগৰ ওচৰত যাৱতীয় তথ্য দাখিল কৰা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। তেওঁ এই তদন্ত প্ৰক্ৰিয়াক লৈ অসন্তুষ্টি ব্যক্ত কৰে। আছাম পাব্লিক ৱৰ্কছৰ সভাপতি অভিজিত শৰ্মাই এই ভাষ্য প্ৰদানৰ পাছত কয় যে ছিংগাপুৰত জুবিন গাৰ্গৰ বিয়োগৰ পাছতো নৰ্থ-ইষ্ট ফেষ্টিভেলৰ অনুষ্ঠান চলি থকাৰ তথ্য আয়োগক দাখিল কৰা হৈছে। তদুপৰি ছিংগাপুৰৰ জাহাজত থকা ১৮জন লোকৰ ভিতৰত কেৱল চাৰিজনকহে কিয় গ্ৰেপ্তাৰ কৰা হৈছে সেই বিষয়টো আয়োগক দৃষ্টিগোচৰ কৰা বুলি শ্ৰীশৰ্মাই মন্তব্য কৰে।

**বাইট**

উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত গঠন কৰা ন্যায়িক আয়োগে ৩ নৱেম্বৰৰ পৰা সাক্ষ্য গ্ৰহণ কৰি আহিছে। ২১ নৱেম্বৰলৈ চলিবলগীয়া এই প্ৰক্ৰিয়াত এতিয়ালৈ কেইবাজনো লোকে আয়োগক সাক্ষ্য প্ৰদান কৰিছে।

০০০০০

ৰাজ্যত স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি শিক্ষা বিভাগত ৮ হাজাৰৰো অধিক প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে। উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ২৫২ গৰাকী সহকাৰী অধ্যাপকক নিযুক্তি পত্ৰ বিতৰণৰ উপৰি ৬২ গৰাকী তৃতীয় বৰ্গৰ কৰ্মচাৰীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। একেদৰে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত এহেজাৰ ২৭৫ গৰাকী স্নাতকোত্তৰ শিক্ষক আৰু ৬ হাজাৰ ৫২২ গৰাকী স্নাতক শিক্ষকক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ সঞ্চালকালয়ৰ অধীনত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত ২৮ গৰাকী প্ৰৱক্তা আৰু ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদত ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে।

০০০০০

দিল্লী বোমা বিস্ফোৰণ সন্দৰ্ভত সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত ৰাজ্যত বৰ্তমানলৈকে ১৫জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে যোৱা নিশা এই ঘটনা সংক্ৰান্তত ৯জন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ইয়াৰ পূৰ্বে আপত্তিজনক মন্তব্য পোষ্ট কৰাৰ অভিযোগত ছজন লোকক গ্ৰেপ্তাৰ কৰিছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে সন্ত্ৰাসবাদী কাৰ্যকলাপত সমৰ্থন কৰা নাইবা হিংসাক প্ৰশ্ৰয় দিয়াসকলৰ বিৰুদ্ধে অসম আৰক্ষীয়ে আপোচবিহীন স্থিতি গ্ৰহণ কৰিব। আমাৰ বৰপেটাৰ সংবাদদাতাই জনোৱা মতে এনে ধৰণৰ আপত্তিজনক মন্তব্যৰ অভিযোগত বৰপেটা ৰোড আৰক্ষীয়ে ৰকিবুল চুলতান নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে।

দিল্লীৰ বিস্ফোৰণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ নিৰাপত্তা বৃদ্ধিৰ বাবে কেন্দ্ৰীয় চৰকাৰ তৎপৰ হৈ উঠিছে। এই অনুসৰি কেন্দ্ৰীয় চৰকাৰে ধুবুৰী জিলাৰ বামুণীত এটা নতুন সামৰিক ঘাটি স্থাপনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। লাচিত বৰফুকনৰ নামেৰে নামকৰণ কৰিবলগীয়া সামৰিক ঘাটিটোৰ পৰা সীমান্তৰ প্ৰতিৰক্ষাৰ প্ৰতিটো দিশ চোৱাচিতা কৰা হ'ব।

০০০০০

সমাপ্ত